# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-Aug-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১।	দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কিছুসময়ৰ পাছতে গুৱাহাটীলৈ আগমণ। কাইলৈ নৱনিৰ্মিত ৰাজভৱন উদ্বোধন।
২।	একেৰাহে দ্বিতীয় দিনৰ বাবে প্ৰৱল বৰষুণত গুৱাহাটী মহানগৰীৰ জনজীৱন স্তব্ধ।
৩।	সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ বাবে গঠন কৰা মূল সমিতিৰ দ্বিতীয়খন বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।
৪।	ৰাজ্য জুৰি ভক্তি আন্দোলনৰ অন্যতম হোতা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শ্ৰী শ্ৰী হৰিদেৱৰ আজি ৬০০ বছৰীয়া আবিৰ্ভাৱ তিথি পালন।

*আৰু*

৫।	জে.কে বৰুৱা ১৯ বছৰ অনুৰ্দ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত গুৱাহাটীৰ খিতাপ অৰ্জন।

০০০০০

এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ  দুদিনীয়া অসম ভ্ৰমণসূচীৰে কিছুসময়ৰ পাছত গুৱাহাটীত উপস্থিত হ'ব। ৰাজ্যিক বিজেপিৰ শীৰ্ষ নেতৃবৰ্গই প্ৰকাশ কৰা অনুসৰি তেওঁ বিমান বন্দৰৰ পৰা পোনে পোনে বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনলৈ ৰাওনা হ'ব। শ্ৰীশ্বাহে বিজেপিৰ মূল সমিটিৰ সৈতে বাজপেয়ী ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হ'ব। ইয়াৰ পিছত বিজেপিৰ কাৰ্যকৰ্তা সকলৰ সৈতে নৈশ আহাৰ গ্ৰহণ কৰি তেওঁ নিশাটো কইনাধৰাৰ চৰকাৰী অতিথিশালাত কটাব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাইলৈ পুৱা অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নৱনিৰ্মিত ৰাজভৱনৰ উদ্বোধনৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত ৰাজভৱনত বৈশিষ্ট্য আৰু সুবিধাসমূহৰ বিষয়ে অৱগত কৰে।

বাইট (চি.এম)

কাইলৈ দিনৰ ১১ বাজি ৩৫ মিনিটৰ পৰা গুৱাহাটীৰ নৱনিৰ্মিত ৰাজভৱন মুকলিৰ অনুস্থান আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই পোনপটীয়া প্ৰচাৰৰ সামৰণিতহে আমাৰ কাইলৈ দুপৰীয়া ১২ বাজি ৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া আঞ্চলিক বাতৰি প্ৰচাৰ কৰা হ'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে কাইলৈ আবেলি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই

সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব।

গুৱাহাটী মহানগৰীত আজি বিয়লিৰ ভাগত হোৱা এজাক ধাৰাষাৰ বৰষুণৰ ফলত বিভিন্ন অঞ্চল প্লাৱিত হৈ পৰে। কালিও আবেলিৰ ভাগত অহা বৰষুণৰ ফলত মহানগৰীৰ জীৱনযাত্ৰা বিপৰ্যস্ত হোৱাৰ পাছত আজি দ্বিতীয় দিনাও আবেলি সমগ্ৰ মহানগৰীবাসী জলবন্দী হৈ পৰে। বৰষুণৰ ফলত যোৱাবাট, খানাপাৰা, হাতীগাওঁ, ৰুক্মিনী নগৰ, ভেটাপাৰাকে ধৰি বিভিন্ন অঞ্চল কৃত্ৰিম বানত বুৰ যায়। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ঠায়ে ঠায়েও কৃত্ৰিম বানৰসৃষ্টি হৈছে। মহানগৰীৰ বিভিন্ন অঞ্চলত হোৱা তীব্ৰ যান-জঁটৰ পৰিপ্ৰেক্ষিতত কৰ্মস্থলীৰ পৰা গৃহ অভিমুখী লোকসকলৰ লগতে অন্যান্য পথাচাৰীসকল কেইবাঘণ্টাজুৰি পথ আৱদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে।

ভইচ কাষ্ট (পি টি চি)

ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ২৪ ঘণ্টাত গুৱাহাটী মহানগৰীৰ ঠাইবিশিষে বিজুলী ঢেৰেকনিৰে ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত ৬ ছেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হ'ব পাৰে।

সম্ভাব্য পৰিস্থিতিলৈ চাই ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে গুৱাহাটীৰ জনসাধাৰণক প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। দৈনিক অহা-যোৱা কৰা আৰু দূৰণিবটীয়া যাত্ৰীসকলক বৰষুণৰ সময়ছোৱাত অনাৱশ্যকীয় যাত্ৰা এৰাই চলিবলৈ কোৱা হৈছে। দ' এলেকা আৰু পাহাৰৰ কাষৰীয়া অঞ্চলত বাস কৰা লোকক সম্ভাব্য পৰিস্থিতিৰ প্ৰতি সজাগ হৈ থাকিবলৈ সকিয়াই দিয়া হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনসাধাৰণক সময়ে সময়ে পৰিস্থিতিৰ বিষয়ে অৱগত কৰিব।

০০০০০

সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উদযাপনৰ বাবে গঠন কৰা মূল সমিতিৰ দ্বিতীয়খন বৈঠকত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অংশগ্ৰহণ কৰে। দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত এই বৈঠকত শতবৰ্ষ উদযাপনৰ পৰিকল্পিত কাৰ্যসূচী সমূহৰ বিষয়ে আলোচনা কৰা হয়। অহা ৮ ছেপ্তেম্বৰৰ পৰা হবলগীয়া শতবৰ্ষ উদযাপন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বিষয়েও বৈঠকত পৰ্যালোচনা কৰা হয়। অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইনেও অংশগ্ৰহণ কৰা এই বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই উদযাপন কাৰ্যসূচীৰ সকলো কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে সংশ্লিষ্ট বিষয়া সকলক নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে , প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অহা ১৩ ছেপ্তেম্বৰত হবলগীয়া শতবাৰ্ষিকী উদযাপনৰ মুখ্য কাৰ্যসূচীত অংশ লৈ বিশ্ববৰেণ্য শিল্পী গৰাকীক সন্মান জনাব। এইবাৰ অৰুণাচল প্ৰদেশ চৰকাৰেও সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উদযাপনৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী গৰাকীয়ে আজি খনি আৰু খনিজ পদাৰ্থ বিজ্ঞান বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ দ্বিতীয় এডভাণ্টেজ আছাম সন্মিলনত স্বাক্ষৰিত বুজাবুজি চুক্তিবোৰৰ পৰ্যালোচনা কৰে। বৈঠকত এডভাণ্টেজ আছামত দিয়া প্ৰতিশ্ৰুতি সমূহ বাস্তৱত পৰিণত কৰাৰ ক্ষেত্ৰত বৰ্তমানলৈ হোৱা অগ্ৰগতিৰ মূল্যায়ন সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষ উপলক্ষে মহান শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই ১০০ টকা মূল্যৰ স্মাৰক মুদ্ৰা জাৰি কৰাত অনুমোদন জনাইছে। এই পদক্ষেপে বিশ্ববন্দিত শিল্পীগৰাকীৰ আদৰ্শ আৰু কৰ্মৰাজিক জনসাধাৰণৰ মাজত উজ্জীৱিত কৰি ৰাখিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰক ৰাজ্যবাসীৰ হৈ কৃতজ্ঞতা জনাইছে।

০০০০০

নগাঁৱৰ কলং পাৰৰ ভূমিত উচ্ছেদ অভিযান চলিব আৰু ইয়াৰ বাবে শীঘ্ৰে জাননী প্ৰেৰণ কৰা হ'ব। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি নাৰেৰে কলঙৰ অবৈধভাৱে দখল কৰা অঞ্চল পৰিদৰ্শন কৰি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে অবৈধভাৱে দখল কৰা অঞ্চলসমূহ নিৰ্দিষ্ট সময়ত খালী নকৰিলে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। কলঙৰ মাটি ম্যাদী কৰাক লৈ আশ্চৰ্য প্ৰকাশ কৰি জিলা আয়ুক্তগৰাকীয়ে নৈখন প্ৰদূষিত কৰাসকলক সকিয়াই দিয়ে। আয়ুক্তগৰাকীয়ে শৌচালয়ৰ টেংকি আঁতৰাই নিনিলে এনে লোক গ্ৰেপ্তাৰ পৰ্যন্ত হ'ব পাৰে বুলি মন্তব্য কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

ooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

ooooo

ৰাজ্যৰ ভক্তি আন্দোলনৰ অন্যতম হোতা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শ্ৰী শ্ৰী হৰিদেৱৰ আজি ৬০০ বছৰীয়া আবিৰ্ভাৱ তিথি। শ্ৰীশ্ৰী হৰিদেৱে সমাজক আধ্যাত্মিকতাৰ অমলিন বাট দেখুৱাই মানেৰি, বহৰি, কৈহাটী আদি সত্ৰসমূহ স্থাপন কৰিছিল। ইয়াৰ উপৰি তেওঁ শৰণ সংহিতা, ভক্তিৰস তৰংগিনী, হৰিনাম কীৰ্তন পদ্ধতি আদি আপুৰুগীয়া গ্ৰন্থৰ ৰচনাৰে অসমীয়া ভাষাক সমৃদ্ধ কৰি থৈ গৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শ্ৰী শ্ৰী হৰিদেৱৰ আৱিৰ্ভাৱ তিথি উলহ-মালহেৰে পালন কৰা হয়। গুৰুজনাই স্থাপন কৰা বৰপেটা জিলাৰ আদিসত্ৰ বহৰীত পুৱা উষা কীৰ্তনেৰে দিনজোৰা কাৰ্যসূচী আৰম্ভ কৰা হয়। ইয়াৰ পাছতেই নাম প্ৰসংগ আৰু ভাগৱত ভ্ৰমণ কাৰ্যসূচী অনুষ্ঠিত হয়। বহৰী নগৰজুৰি কৰা এই ভাগৱত ভ্ৰমণত শতাধিক লোকে অংশগ্ৰহণ কৰে। আৱিৰ্ভাৱ তিথি উপলক্ষে গুৰুচৰিত পাঠ, আয়তি আৰু ভকতৰ প্ৰসংগ, ৰাজহুৱা নাম, দিহা নাম, ধৰ্মালোচনী সভা আদি অনুষ্ঠিত হয়। গুৰুজনাৰ ৬০০ বছৰীয়া জয়ন্তীৰ লগত সংগতি ৰাখি বহৰী সত্ৰত ৬০০ গছি বন্তি প্ৰজ্বলন কৰা হয়।

ooooo

অ-বড়ো সুৰক্ষা সমিতিয়ে বি টি চি নিৰ্বাচনত ১২টা পৰিষদীয় সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়াব। বাক্সা জিলাৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত বৈঠকত আজি এই বিষয়ে আলোচনা কৰা হয়। বৈঠকৰ অন্তত সাধাৰণ সম্পাদক মাধৱ ৰাজবংশীয়ে শুক্লাই চেৰফাং, গোৰেশ্বৰ, বাগানপাৰা, ককলাবাৰী, দিহিৰা, শালবাৰী, মথনগুৰি. ঠুৰিবাৰী, শ্ৰীৰামপুৰ, গুমা, ফকিৰাগ্ৰাম আৰু বাওখুংগ্ৰী পৰিষদীয় সমষ্টিত সমিতিয়ে প্ৰাৰ্থিত্ব আগবঢ়াব বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে প্ৰাৰ্থী বাছনি প্ৰক্ৰিয়া ইতিমধ্যে সমাপ্ত হৈছে আৰু ৩০ আগষ্টৰ ভিতৰত প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হ'ব। অ-বড়োৰ সংগ্ৰামখন জীয়াই ৰখাৰ স্বাৰ্থত অ-বড়ো সুৰক্ষা সমিতিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি শ্ৰীৰাজবংশীয়ে উল্লেখ কৰে। আজিৰ সভাত শালবাৰী পৰিষদীয় সমষ্টিৰ নিৰ্বাচনী সমিতিখন গঠন কৰা হয়।

ooooo

ৰঙিয়াত অনুষ্ঠিত জে কে বৰুৱা ১৯ বছৰ অনুৰ্দ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি গুৱাহাটীয়ে হাইলাকান্দিক ৫৯ ৰাণত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। খেলখনত গুৱাহাটীয়ে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৩৬ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩০ ৰাণ সংগ্ৰহ কৰে। গুৱাহাটীৰ হৈ দেৱৰাজ শৰ্মাই সৰ্বাধিক ৩৫ ৰাণ কৰে। মনীষ মাহাটোই ৩২ ৰাণৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত হাইলাকান্দিয়ে ২৯ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৭১ ৰাণহে কৰিবলৈ সমৰ্থ হয়। হাইলাকান্দিৰ হৈ কবীৰ আহমেদে ১২  ৰাণ কৰে। গুৱাহাটীৰ মনীষ মাহাটোই তিনিটা উইকেট দখল কৰে। মাহাটোক মেন অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়। মাৰ্ঘেৰিটাৰ শিবেন্দ্ৰ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটাৰ আৰু গোলাঘাটৰ বৈভৱ আনন্দ বৰাক শ্ৰেষ্ঠ বলাৰ হিচাপে ঘোষণা কৰা হয়। গোলাঘাটৰ অড্ৰিয়ান কাশ্যপে প্লেয়াৰ অব দ্য টুৰ্ণামেণ্টৰ সন্মান লাভ কৰে।

ooooo

সমাপ্ত